# ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ৰূপৰেখা

প্ৰাঞ্জল দাস
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
চিলাপথাৰ মহাবিদ্যালয়

# ভাৰতীয় আৰ্যভাষা

- খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকামানত বিভিন্ন সৰু-বৰ দলেৰে ভাৰতত প্ৰৱেশ কৰা আৰ্যসকলৰ যি ভাষা আছিল, সিয়েই ভাৰতীয় আৰ্যভাষা।

- পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইন্দো-ইউৰোপীয়ৰ অন্তৰ্গত আৰ্য ভাষাৰ যিসকল লোক ভিন্ন ভিন্ন সময়ত ভিন্ন ভিন্ন সৰু–বৰ দলত বিভক্ত হৈ আনুমানিক পঞ্চদশ শতিকামনত আহি ভাৰতত নিগাজিকৈ থাকিবলৈ লৈছিল, সেই লোকসকল ভাৰতৰ বাসিন্দা হোৱাৰ সূত্ৰে তেওঁলোকক কোৱা হৈছিল ভাৰতীয় আৰ্য আৰু এই লোকসকলে যি ভাষাত কথা-বতৰা পাতিছিল সেই ভাষাকে কোৱা হৈছিল ভাৰতীয় আৰ্য ভাষা।

- পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা পৰিয়াল  ইন্দো-ইউৰোপীয়ৰ প্ৰধান শাখা শতম বৰ্গৰ অন্তৰ্গত ইন্দো-ইৰাণীয় উপশাখাৰ এটি উল্লেখযোগ্য ভাষা হৈছে ভাৰতীয় আৰ্যভাষা। দৰাচলতে ভাৰতলৈ অহা আৰ্যসকলৰ ভাষাটোকে ভাৰতীয় আৰ্যভাষা বুলি কোৱা হয়।

# ভাৰতীয় আৰ্যভাষাৰ বিকাশৰ স্তৰ

# প্ৰাচীন ভাৰতীয় আৰ্যভাষা
# মধ্য ভাৰতীয় আৰ্যভাষা
# নব্য ভাৰতীয় আৰ্যভাষা

# প্ৰাচীন ভাৰতীয় আৰ্যভাষা

- প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকাৰপৰা খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকালৈ।
- বৈদিক, উপনিষদ, ব্ৰাহ্মণ, পুৰাণ, সংস্কৃত আদি এই স্তৰৰ ভাষাৰ নিদৰ্শন।
- বৈদিক ভাষাঃ- ভাৰতলৈ অহা আৰ্যসকলৰ প্ৰাচীনতম ভাষাৰ নিদৰ্শন পোৱা ঋক বেদ গ্ৰন্থত। সাম, যজুঃ আৰু অথৰ্ব নামেৰে আৰু তিনিখন বেদ আছে। এই তিনিখন বেদৰ ভাষা ঋক বেদৰ ভাষাতকৈ সামান্য বেলেগ। কাৰণ এই তিনিখন বেদৰ ৰচনা আপেক্ষিকভাৱে পিছৰ কালত ৰচিত। এই বেদসমূহৰ ভাষাৰ মাজত আৰ্যসকলৰ ভাষাৰ প্ৰথম নিদৰ্শন পোৱা যায় কাৰণে আৰ্য ভাষাৰ প্ৰাচীন ৰূপটোক 'বৈদিক' বুলি কোৱা হয়।

# মধ্য ভাৰতীয় আৰ্য ভাষা

- মধ্য ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীষ্ট পূৰ্ব ষষ্টৰপৰা খ্ৰীষ্টিয় এক হাজাৰলৈ।
- পালি, প্ৰাকৃত আৰু অপভ্ৰংশ এই স্তৰৰ ভাষাৰ নিদৰ্শন।

# নব্য ভৰতীয় আৰ্যভাষা

- নব্য ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীষ্টিয় এক হাজাৰপৰা বৰ্তমানলৈ
- অসমীয়া, বাংলা, উড়ীয়া, মগহী, ভোজপুৰী এই পাঁচটা আঞ্চলিক প্ৰাকৃত নব্য ভাৰতীয় আৰ্যভাষাৰপৰা উদ্ভৱ হৈছে।